# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-08-2026
**Time :** 2125 PM

## *Assamese Night Bulletin*

-------------------

০০০০০

নেপালত বৰ্তমানলৈকে আকস্মিক বানত আবদ্ধ হৈ পৰা ৮৪জন ভাৰতীয় লোকক উদ্ধাৰ কৰা হৈছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। ইয়াৰ ভিতৰত ত্ৰিশূলী-ওৱান শক্তি প্ৰকল্পত কৰ্মৰত ৬৩জন লোক আৰু তামিলনাডুৰ ২১জন লোক আছে। মন্ত্ৰালয়ে জনোৱা মতে  এই ভয়াবহ দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়ত নেপালত থকা ২৯০জন ভাৰতীয় লোকৰ সৈতে এতিয়ালৈকে কোনো ধৰণৰ সংযোগ স্থাপন কৰিব পৰা হোৱা নাই।

এই লোকসকলক উদ্ধাৰৰ বাবে ভাৰতৰ কৰ্তৃপক্ষই প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিছে বুলি নতুন দিল্লীত আজি এখন সংবাদ মেলত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে প্ৰকাশ কৰে। মুখপাত্ৰগৰাকীয়ে কয় যে এতিয়াও আবদ্ধ হৈ থকা ভাৰতীয় লোকসকলৰ সৈতে সংযোগ স্থাপন তথা তেওঁলোকৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ বাবে ভাৰতীয় কৰ্তৃপক্ষই নেপালী কৰ্তৃপক্ষৰ সৈতে সঘন যোগাযোগত আছে আৰু সম্ভৱপৰ সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই আজি বিশ্বনাথ জিলাৰ পানীভৰালত স্থাপন কৰা গ্ৰাম্য স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। বিশ্বনাথ জিলা প্ৰশাসনৰ সহযোগত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ইণ্ডিয়ান বেংকৰ গ্ৰাম্য স্বনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানটোৱে জিলাখনৰ যুৱক-যুৱতীসকলৰ বাবে দক্ষতা বিকাশ স্বনিয়োজন আৰু আত্মনিৰ্ভৰশীলতাৰ নতুন সুযোগ সম্ভাৱনাৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। শ্ৰীবৰাই আজিৰ অনুষ্ঠানত উপস্থিত থকা প্ৰশিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰে। অনুষ্ঠানত শোণিতপুৰৰ সাংসদ ৰঞ্জিত দত্ত, বিশ্বনাথৰ বিধায়ক পল্লৱ লোচন দাস, বিহালীৰ বিধায়ক মুনীন্দ্ৰ দাসকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

মন্ত্ৰী অতুল বৰাই এই অনুষ্ঠানৰ পাছত বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত এখন সভাতো অংশ লয়। তেওঁ লগতে জিলাখনৰ আবকাৰি বিভাগৰ বিষয়াসকলৰ সৈতে আন এখন বৈঠকত মিলিত হৈ বিভিন্ন দিহা-পৰামৰ্শও আগবঢ়ায়।

০০০০০০

খাদ্যবস্তুকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীৰ দামবৃদ্ধিৰ প্ৰতিবাদত আজি সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে বিক্ষোভ প্ৰদৰ্শন কৰা হয়। ছাত্ৰ সন্থাই প্ৰতিখন জিলা সদৰত সমদল উলিয়াই দামবৃদ্ধি ৰোধ কৰাৰ বাবে দাবী জনায়। সদৌ গুৱাহাটী ছাত্ৰ সন্থাই উজান বজাৰ শ্বহীদ ন্যাসৰ সন্মুখত মূল্যবৃদ্ধিৰ বিৰুদ্ধে বিভিন্ন শ্লোগানেৰে প্ৰতিবাদ সাব্যস্ত কৰে।

মাজুলী জিলা ছাত্ৰ সন্থাইও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আছুৰ নেতৃবৃন্দই বজাৰ নিৰীক্ষণ ব্যৱস্থা অধিক শক্তিশালী কৰি মূল্যবৃদ্ধি আৰু অসাধু ব্যৱসায়িক কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ চৰকাৰক দাবী জনায়।

শিৱসাগৰ জিলাত জিলা ছাত্ৰ সন্থাৰ মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচীত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনকে ধৰি অন্যান্য নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰে।

ooooo

কালি দেহাৱসান ঘটা বিটিচিৰ উপাধ্যক্ষ তথা দৰঙাজুলি পৰিষদীয় সমষ্টিৰ চাৰিবাৰৰ পাৰিষদ বিজিৎ গৌড়া নাৰ্জাৰীৰ শেষকৃত্য আজি তামুলুপৰ জিলাৰ চেঁচাপানী বড়োবজাৰ ৰাজহুৱা খেলপথাৰত সম্পূৰ্ণ চৰকাৰী মৰ্যাদাৰে সম্পন্ন কৰা হয়। প্ৰয়াত উপাধ্যক্ষগৰাকীৰ শেষকৃত্যৰ পূৰ্বে অসম আৰক্ষীৰ তৰফৰ পৰা গাৰ্ড অব অনাৰ প্ৰদান কৰা হয়। শেষকৃত্যত সাংসদ দিলীপ শইকীয়া, মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, বিধায়ক ভিক্টৰ কুমাৰ দাসৰ লগতে অসংখ্য গুণমুগ্ধ উপস্থিত থাকে।

ooooo

দুৰ্ঘটনাগ্ৰস্ত হৈ যোৱা ২৫ আগষ্টত চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱা শিৱসাগৰৰ বীৰ লাচিত সেনাৰ নেতা মানস জ্যোতি চেতিয়াৰ মৃত্যুৰ ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে আজি তিনিগৰাকী লোকক নতুনকৈ আটক কৰে। ইয়াৰ পূৰ্বে আৰক্ষীয়ে বিহুবৰৰ পৰা আন দুজন লোকক আটক কৰিছিল। বীৰ লাচিত সেনাই দাখিল কৰা এজাহাৰৰ ভিত্তিত এই লোককেইজনক আটক কৰা হয়। এজাহাৰত নাম উল্লেখ থকা ১০ গৰাকী অভিযুক্তৰ ভিতৰত এতিয়ালৈকে মুঠ ৫গৰাকীক আটক কৰা হৈছে বুলি আৰক্ষীয়ে জনাইছে। ধৃত লোককেইজনক শিৱসাগৰ সদৰ থানাত আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

ooooo

মণিপুৰৰ কাংপক্‌পি জিলাৰ মাকুই আছুং এলেকাৰ সমীপৰ আই টি ৰোডত আজি পুৱা হোৱা এটা গুলীচালনাৰ ঘটনাত চাৰিজন লোক নিহত হয়। এই ঘটনাৰ প্ৰতিবাদত সেনাপতি জিলাত জনসাধাৰণে আজি বন্ধ ঘোষণা কৰে। ঘটনাৰ পৰিপ্ৰেক্ষিতত মণিপুৰৰ মুখ্যমন্ত্ৰী য়ুমনাম খেমচান্দ সিঙে আজি সন্ধিয়া ইম্ফলৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত এখন উচ্চ পৰ্যায়ৰ নিৰাপত্তা বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে এই আক্ৰমণৰ পৰ্যালোচনা কৰাৰ লগতে ইয়াৰ সৈতে জড়িতসকলক গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ নিৰাপত্তা বিষয়াক নিৰ্দেশ দিয়ে। চৰকাৰে লগতে যিকোনো সম্প্ৰদায় নিৰ্বিশেষে অবৈধ অস্ত্ৰ-শস্ত্ৰ ৰখা লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবেও সিদ্ধান্ত লয়।

oooooo

ওদালগুৰি জিলাৰ ওৰাং চাহ বাগিছাত আজি বিয়লি বজ্ৰ পৰি এগৰাকী মহিলা শ্ৰমিক নিহত হোৱাৰ লগতে আন দুজন শ্ৰমিক আহত হয়। সুনীতা তিৰ্কি নামৰ নিহত মহিলাগৰাকীয়ে বাগিছাত কাম কৰি থকাৰ সময়তে এই দুৰ্ঘটনা ঘটে। মহিলাগৰাকীক ততাতৈয়াকৈ ওৰাং স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে।

ooooo

সমাপ্ত